# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১১৭/২০২০

## ক'ৰ'ণা ভাইৰাছৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি অহা ৩১ মাৰ্চলৈ মুখ্যমন্ত্ৰীৰ ৰাজহুৱা সভা-সমিতিত অংশগ্ৰহণ নকৰাৰ সিদ্ধান্ত

## ৰাইজক আতংকিত নহৈ এই দিশত সজাগ-সচেতন হোৱাৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১৩ মাৰ্চ ঃ** সমগ্ৰ বিশ্বজুৰি ক'ৰ'ণা ভাইৰাছৰ সংক্ৰমণৰ প্ৰকোপৰ প্ৰতি লক্ষ্য ৰাখি আৰু স্বাস্থ্য বিভাগৰ পৰামৰ্শাৱলীৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অহা ৩১ মাৰ্চলৈ জনসমাৱেশৰ কোনো অনুষ্ঠান তথা সভা-সমিতিত অংশ নোলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ উপৰি ৰাইজকো এই দিশত অধিক সজাগ আৰু সচেতন হোৱাৰ বাবে আহ্বান জনাইছে।

আজি এক বিবৃতিৰ জৰিয়তে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে কেৱল সাৱধানতাৰ জৰিয়তেহে এই সংক্ৰমণৰ পৰা জনসাধাৰণে হাত সাৰিব পাৰিব। সেয়েহে জনসাধাৰণে অযথা ইয়াক লৈ আতংকিত নহৈ স্বাস্থ্য বিভাগে প্ৰদান কৰা পৰামৰ্শাৱলী সঠিকভাৱে মানি এই ৰোগৰ সংক্ৰমণৰ পৰা নিজকে মুক্ত হৈ থকাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। এই ক্ষেত্ৰত সমাজৰ সকলো শ্ৰেণীৰ সচেতন ব্যক্তিসকলে জনসচেতনতা সৃষ্টিৰ বাবে উপযুক্ত পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে। ৰাজ্যখনৰ জনসাধাৰণ যাতে নিৰোগী আৰু স্বাস্থ্যৱান হৈ থাকে তাৰ বাবেও মুখ্যমন্ত্ৰীয়ে কামনা কৰিছে।

**বঃভাঃ / পুঃডেঃ**
**১৩/০৩/২০২০**